আদম সন্তানৰ যদি সোণে ভৰা দুখন উপত্যকাও থাকে, তথাপিও সি তৃতীয় আন এটা উপত্যকা কামনা কৰিব।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "আদম সন্তানৰ যদি সোণে ভৰা দুখন উপত্যকাও
থাকে, তথাপিও সি তৃতীয় আন এটা উপত্যকা কামনা কৰিব। আদম সন্তানৰ পেট কেৱল মাটিয়েহে
পূৰণ কৰিব পাৰিব। কিন্তু যিয়ে আল্লাহৰ ওচৰত তাওবা কৰে, আল্লাহে তাৰ তাওবা কবূল কৰে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কৈছে, যদি আদম সন্তানে সোণেৰে ভৰা এখন উপত্যকা লাভ কৰে, তথাপিও তাৰ স্বাভাৱিক লোভ-লালসাৰ বাবে সি আকৌ দুখন উপত্যকা বিচাৰিব। পৃথিৱীৰ প্ৰতি তাৰ এই লোভ লালসা মৃত্যু নোহোৱালৈকে থাকিব। অৱশেষত কবৰত মাটিয়েই তাৰ পেট পূৰ্ণ কৰিব।

http://www.sunnah.global/hadeeth/as/show/4963